**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৯৪/২০১৯**

# ভূমি পৰামৰ্শ সমিতিত মৌজাদাৰ সকলক অন্তৰ্ভূক্ত কৰাৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ

**দিছপুৰ, ১৮ ডিচেম্বৰ ঃ** সদৌ অসম মৌজাদাৰ সন্থাৰ প্ৰতিনিধি দল এটাই আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত সাক্ষাৎ কৰি ভূমি ৰাজহ সংগ্ৰহ ত্বৰান্বিত কৰাকে ধৰি বিভিন্ন ৰাজহ সম্পৰ্কীয় বিষয় সম্পৰ্কত এক বৈঠকত মিলিত হয়।

বৈঠকত জিলা আৰু মহকুমা পৰ্যায়ৰ ভূমি পৰামৰ্শ সমিতিত মৌজাদাৰ সকলক অন্তৰ্ভূক্ত কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। তদুপৰি সংশ্লিষ্ট জিলা আৰু মহকুমাৰ গাঁওবুঢ়া নিয়োগৰ বাবে থকা নিৰ্বাচন সমিতিত মৌজাদাৰ সকলক অন্তৰ্ভূক্ত কৰাৰ বাবেও সিদ্ধান্ত লোৱা হয়। শান্তি সমিতি সমূহতো মৌজাদাৰ সকলক অন্তৰ্ভূক্ত কৰাৰ সিদ্ধান্ত লোৱা হয় যাতে মৌজাদাৰ সকলে বিভিন্ন সামাজিক ক্ষেত্ৰত নিজৰ ভূমিকা লব পাৰে।

বৈঠকত বিভিন্ন ৰাজহ চক্ৰৰ ভূমি তথ্য অদ্যবধিকৰণ তথা ভূমি ৰাজহ সংগ্ৰহ ত্বৰান্বিত কৰা আৰু ভূমিৰ শ্ৰেণীকৰণ ইত্যাদি বিষয় সমূহৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়। এই ক্ষেত্ৰত ৰাজহ চক্ৰ বিষয়া, মৌজাদাৰ, মণ্ডল ইত্যাদিকে ধৰি সংশ্লিষ্ট সকলোৰে সংহত পদক্ষেপ লোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে সঠিক ভূমি তথ্য তথা ভূমি তথ্য সংশোধনী কৰাৰ দিশত ঘৰে ঘৰে গৈ জৰীপ কাৰ্য চলোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বেঠকত ভূমি তথা ভূমি সম্বন্ধীয় বিষয় সমূহৰ ক্ষেত্ৰত এক ইতিবাচক পৰিবৰ্তনৰ সূচনা কৰাৰ বাবেও সিদ্ধান্ত লোৱা হয়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে সমাজত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ দিশত মৌজাদাৰ সকলক গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ বাবেও আহ্বান জনায়। মৌজাদাৰ সন্থাই এই ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, অতিৰিক্ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, সদৌ অসম মৌজাদাৰ সন্থাৰ সভাপতি কৰুণ বৰুৱাৰ লগতে ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**১৮/১২/২০১৯**